অসম

‘মু তাই’ বিতর্কত মোৰ কোনো সম্পর্ক নাই: যোগেন মহন

চৰাইদেউৰ ১৫ নৱেম্বৰৰ অধিৱেশনলৈ কেৱল আমন্ত্রিত অতিথি হিচাপে গৈছিলোঁ বুলি স্পষ্ট কৰিলে ৰাজ্যসভাৰ সাংসদ যোগেন মহনে।

প্রকাশ: ১৯ নৱেম্বৰ ২০২৬, নিশা ৮:১৪



(NewzNow)

মৰাণ, ১৯ নৱেম্বৰ: তাই আহোম জনগোষ্ঠীৰ পৰিচয়ক লৈ শেহতীয়াকৈ সৃষ্টি হোৱা বিতর্কৰ মাজতে নিজৰ স্থিতি স্পষ্ট কৰিলে প্রাক্তন মন্ত্রী তথা ৰাজ্যসভাৰ সাংসদ যোগেন মহনে। চৰাইদেউ জিলাৰ জজলী গড়কুশ লাচিত প্রেক্ষাগৃহত ১৫ নৱেম্বৰত অনুষ্ঠিত আহোম মহন্ত, দেওধাই আৰু বাইলুঙৰ বংশাৱলী সম্পর্কীয় অধিৱেশনত উপস্থিত থকাৰ বিষয়টোক লৈ সৃষ্টি হোৱা বিতর্কৰ সন্দর্ভত তেওঁ কয় যে, অধিৱেশনৰ সৈতে জড়িত কোনো সিদ্ধান্ত বা কার্যকলাপৰ লগত তেওঁৰ সম্পর্ক নাই।

মৰাণত অনুষ্ঠিত এখন বৈঠকৰ পাছত যোগেন মহনে জনায় যে, অনুষ্ঠানটো উদ্বোধন কৰিবলৈ তেওঁক কেৱল আমন্ত্রিত অতিথি হিচাপেহে আমন্ত্রণ জনোৱা হৈছিল। পূর্বনির্ধাৰিত বিভিন্ন কার্যসূচী থকাৰ বাবে নির্দিষ্ট সময়ত উপস্থিত থাকিব নোৱাৰি কিছু সময়ৰ বাবেহে অনুষ্ঠানস্থলীলৈ গৈছিল তেওঁ।

> মাত্র পাঁচ মিনিট বক্তব্য ৰাখি ফুটবল খেলৰ আন এক কার্যসূচীলৈ গুচি গৈছিলোঁ। তাৰ পাছত অধিৱেশনৰ সভাপতি, সম্পাদক বা অভ্যর্থনা সমিতিয়ে কি সিদ্ধান্ত গ্রহণ কৰিছিল বা কি বক্তব্য দিছিল, সেই বিষয়ে মই

> অৱগত নহওঁ।

তেওঁৰ ভাষ্য অনুসৰি, অনুষ্ঠানত স্বৰ্গদেউ চাওলুং চুকাফাৰ আদৰ্শৰে সকলোকে একত্রিত হৈ কাম কৰিবলৈ আহ্বান জনাইছিল। জনগোষ্ঠীটোক ভাগ-ভাগ কৰাৰ যিকোনো প্রচেষ্টা জাতিটোৰ বাবে ক্ষতিকাৰক হ'ব বুলিও তেওঁ সকীয়াই দিছিল।

বংশাৱলী সম্পর্কীয় অধিৱেশনৰ কোনো সমিতি, কার্যকৰী সমিতি বা উপদেষ্টা মণ্ডলীৰ সদস্য তেওঁ নাছিল বুলি যোগেন মহনে কয়। সেয়ে অধিৱেশনৰ পৰৱর্তী সিদ্ধান্ত বা কোনো বিশেষ পৰিচয় গঠনৰ প্রচেষ্টাৰ সৈতে তেওঁক জড়িত কৰাটো অনুচিত বুলিও মন্তব্য কৰে তেওঁ। বংশাৱলী সম্পর্কীয় অনুষ্ঠানলৈ আমন্ত্রিত অতিথি হিচাপে উপস্থিত থকাটো কোনো অপৰাধ হ'ব নোৱাৰে বুলিও তেওঁ কয়।

তেওঁ কয়, ২০০৫ চনত তাই আহোম ছাত্র সন্থা দুটা ভাগত বিভক্ত হৈ থকাৰ সময়ত ড□ দয়ানন্দ বৰগোহাঁই, মনোৰঞ্জন ফুকন আৰু পূর্বাঞ্চলৰ নেতাসকলৰ সহযোগত সংগঠনটোক একত্রিত কৰাৰ চেষ্টা কৰিছিল। তাই আহোম জনগোষ্ঠীৰ ঐক্য আৰু জনজাতিকৰণৰ দাবীৰ প্রতি তেওঁ সদায় দায়বদ্ধ বুলি উল্লেখ কৰি প্রয়োজন হ'লে ৰাজ্যসভাত অসমৰ ছয় জনগোষ্ঠীৰ জনজাতিকৰণৰ বিষয় উত্থাপন কৰিবলৈ সাজু বুলিও জনায়।

বৈঠকত আটাছুৰ সভাপতি মিলন বৰগোহাঁই, পূর্বাঞ্চল তাই সাহিত্য পৰিষদৰ সাধাৰণ সম্পাদক বিজয় ৰাজকোঁৱৰ, ড□ ৰত্নগোপালকে ধৰি কেইবাটাও তাই আহোম সংগঠনৰ প্রতিনিধি উপস্থিত আছিল বুলি তেওঁ জনায়। তাই আহোম গণমঞ্চ, মহন্ত-দেওধাই-বাইলুঙ সম্পর্কীয় সংগঠন আৰু পণ্ডিত পৰিষদৰ প্রতিনিধিসকলৰ লগতো নিজৰ স্থিতি স্পষ্ট কৰা বুলি কয়।

১৫ নৱেম্বৰৰ অধিৱেশনত তেওঁৰ উপস্থিতিৰ বাবে কোনো সংগঠন বা ব্যক্তি অসন্তুষ্টি যদি হৈছে তাৰ বাবে দুখ প্রকাশ কৰি যোগেন মহনে বিষয়টো ইয়াতে সামৰি জাতি আৰু সমাজৰ বৃহত্তৰ স্বার্থত ঐক্যবদ্ধভাৱে কাম কৰিবলৈ আহ্বান জনায়। তেওঁৰ বিৰুদ্ধে অযথা ষড়যন্ত্র কৰি লাভ নাই বুলিও মন্তব্য কৰি বৃহত্তৰ অসমীয়া সমাজৰ ঐক্য আৰু অসমৰ উন্নয়নৰ বাবে কাম কৰি যোৱাৰ প্রতিশ্রুতি পুনৰ দোহাৰে সাংসদগৰাকীয়ে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/4553/zogen-mhn-tai-ahom-bitk